জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৪/২০২০

# অসম চাহ কৰ্মচাৰী সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বিশিষ্ট সমাজকৰ্মী গিৰিশ চন্দ্ৰ বৰপাত্ৰগোহাঁইৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৪ আগষ্ট ঃ** অসম চাহ কৰ্মচাৰী সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বিশিষ্ট সমাজকৰ্মী গিৰিশ চন্দ্ৰ বৰপাত্ৰগোহাঁইৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত গিৰিশ চন্দ্ৰ বৰপাত্ৰগোহাঁইয়ে অসম চাহ কৰ্মচাৰী সংঘক শক্তিশালীকৰণৰ জৰিয়তে চাহ উদ্যোগৰ বিকাশৰ যাত্ৰাত ইয়াৰ লগত জড়িত থকা কৰ্মচাৰীসকলক নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰাৰ দিশত বিশিষ্ট বৰঙনি আগবঢ়াই গৈছে। তদুপৰি, আমাৰ সমাজ জীৱনৰ সৈতে জড়িত থকা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে তেখেতে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উত্তৰণৰ দিশতো যথেষ্ট অৱদান আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সমাজকৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গিৰিশ চন্দ্ৰ বৰপাত্ৰগোহাঁইৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ / পুঃডেঃ
২৪/০৮/২০২০